বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## আল্লাহৰ ওপৰত তাৱাক্কুল (ভৰসা) – মহানবী (ছাঃ)-ৰ কল্যাণময় জীৱনৰ আদৰ্শ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ০৪ চেপ্তেম্বৰ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

আল্লাহ তা'লাই মহানবী (ছল্লাল্লাহু আলাইহি ৱা ছাল্লাম)ক পূৰ্ণ মানৱ হিচাপে গঢ়ি তুলি সমগ্ৰ মানৱ জাতিৰ বাবে এক উত্তম আদৰ্শ বনাইছে আৰু প্ৰতিটো সৎ গুণ তেখেতৰ সত্তাত সৃষ্টি কৰি তাক এক মহান চৰিত্ৰলৈ ৰূপান্তৰিত কৰিছে। মুমিনসকলক এই বুলি উপদেশ দিয়া হৈছে যে, যদি তেওঁলোকে নিজৰ অন্তৰত সৎ গুণাৱলী গঢ়ি তুলিব বিচাৰে আৰু চৰিত্ৰৰ সৰ্বোচ্চ মানদণ্ড অৰ্জন কৰিব বিচাৰে, তেন্তে তেওঁলোকে এই মহান ৰছুলক অনুসৰণ কৰিব লাগিব, কিয়নো এয়াই হৈছে আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰাৰ মাধ্যম। তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) যিদৰে প্ৰতিটো গুণক সৰ্বোচ্চ স্তৰলৈ লৈ গৈছিল, ঠিক সেইদৰে মুমিনসকলকো এই উচ্চ মানদণ্ডসমূহ অৰ্জন কৰাৰ বাবে প্ৰচেষ্টা চলাবলৈ উপদেশ দিছিল। তেখেত (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)ৰ জীৱন চৰিত্ৰত আল্লাহৰ ওপৰত ভৰসা (তাৱাক্কুল) কৰাৰ গুণটোও অতিশয় স্পষ্ট আৰু উল্লেখনীয়।

আল্লাহ তা'লাই কৈছে যে, হে নবী! আমি আপোনাক জগতৰ নিৰীক্ষক, মুমিনসকলক সুসংবাদ দিওঁতা, কাফিৰসকলক সাৱধান কৰোঁতা, আল্লাহৰ নিৰ্দেশক্ৰমে তেওঁৰ ফালে আহ্বান কৰোঁতা আৰু এক উজ্বল সূৰ্য্য হিচাপে প্ৰেৰণ কৰিছোঁ। মুমিনসকলক সুসংবাদ দিয়ক যে তেওঁলোকৰ বাবে আল্লাহ তা'লাৰ ফালৰ পৰা এক বৃহৎ অনুগ্ৰহ আছে। কাফিৰ আৰু মুনাফিকসকলৰ কথা নুশুনিব আৰু তেওঁলোকৰ নিৰ্যাতনক আওকাণ কৰক আৰু আল্লাহৰ ওপৰত ভৰসা কৰক, আল্লাহেই কাৰ্য্য সম্পাদনৰ বাবে যথেষ্ট। ইয়াৰ মাজত মুমিনসকলৰ বাবেও এই সুসংবাদ আছে যে, যদি তেওঁলোক ঈমানৰ ওপৰত অটল থাকে, আল্লাহ তা'লাৰ আদেশসমূহ পালন কৰে আৰু তেওঁৰ সত্তাৰ ওপৰত পূৰ্ণ ভৰসা ৰাখে, তেন্তে আল্লাহ তা'লাই প্ৰতিটো বিপদত তেওঁলোকৰ বাবে যথেষ্ট হ'ব। আন এখন ঠাইত কোৱা হৈছে যে আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই আৰু মুমিনসকলে কেৱল আল্লাহৰ ওপৰতেই ভৰসা কৰা উচিত।

হজৰত আকদছ মছীহ মাওউদ (আলাইহিছ ছালাতো ৱাছ ছালাম) এ কৈছে যে, হজৰত খাতামুল আম্বিয়া (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ৰ জীৱনৰ ঘটনাসমূহৰ প্রতি দৃষ্টি নিক্ষেপ কৰিলে এই কথাটো অতিশয় স্পষ্ট হৈ পৰে যে মহানবী (ছাঃ) আছিল সৰ্বোচ্চ পৰ্যায়ৰ একনিষ্ঠ, পৱিত্ৰ অন্তৰৰ অধিকাৰী, খোদাৰ বাবে প্ৰাণোৎসৰ্গা কৰিবলৈ প্ৰস্তুত থকা আৰু সৃষ্টিৰ ভয় আৰু আশাৰ পৰা সম্পূৰ্ণৰূপে মুখ ঘূৰাই কেৱল খোদাৰ ওপৰতহে ভৰসা কৰি ইমান দৃঢ়তা আৰু অধ্যৱসায়ৰ এনে কোনো উদাহৰণ পোৱা নাযায়। তাৰ পিছত তেখেতে কৈছে যে 'তাবাত্তুল', অৰ্থাৎ আল্লাহৰ লগত হৃদয় সংযোগ কৰা আৰু পৃথিৱীৰ মোহ ত্যাগ কৰা, ইয়াৰ কাৰ্যগত আদৰ্শ হৈছে আমাৰ আল্লাহৰ ৰছুল ছাল্লাল্লাহু আলাইহি ৱাছছাল্লাম। তেখেতে কাৰো প্ৰশংসাৰ বাবেও ভ্ৰূক্ষেপ কৰা নাছিল আৰু কোনেও বেয়া কোৱালৈও গুৰুত্ব দিয়া নাছিল। তেখেতে অগণন কষ্টৰ সন্মুখীন হৈছিল, কিন্তু কোনো লোভ বা লালসাই তেওঁক সেই কামৰ পৰা বিৰত ৰাখিব নোৱাৰিলে, যিটো কাম কৰিবলৈ তেখেতে (ছাঃ) এ আল্লাহৰ তৰফৰ পৰা আহিছিল। যিজন ব্যক্তি 'মুতাবাত্তিল' (ত্যাগকাৰী/একাগ্ৰ) হ'ব, তেওঁ 'মুতাৱাক্কিল' (ভৰসাকাৰী)ও হ'ব। অৰ্থাৎ মুতাৱাক্কিল হোৱাৰ বাবে মুতাবাত্তিল হোৱাটো এক চৰ্তস্বৰূপ। যেতিয়ালৈকে মানুহে আনৰ ওপৰত নিৰ্ভৰ কৰে আৰু ভৰসা কৰে, তেতিয়ালৈকে কেৱল আল্লাহৰ ওপৰত সম্পূৰ্ণৰূপে ভৰসা (তাৱাক্কুল) হ'ব নোৱাৰে। যেতিয়া মানুহে আল্লাহৰ প্ৰতি নিজকে সমৰ্পণ কৰে, তেতিয়া তেওঁ পাৰ্থিৱ জগতৰ পৰা সম্পৰ্ক ছিন্ন কৰে আৰু আল্লাহৰ সৈতে সংযুক্ত হয়। আমাৰ মৰমৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম এজন নিখুঁত মুতাবাত্তিল আৰু নিখুঁত মুতাৱাক্কিল আছিল।

হজৰত আকদছ মছীহ মাওউদ (আঃ)-এ কৈছে যে আল্লাহক কেতিয়াও দুৰ্বল বুলি নাভাবিবা, তেওঁ হৈছে মহাশক্তিশালী সত্তা। যেতিয়া আপুনি যিকোনো বিষয়ত তেওঁৰ ওপৰত ভৰসা কৰিব, তেতিয়া তেওঁ নিশ্চিতভাৱে আপোনাক সহায় কৰিব। যিয়ে আল্লাহৰ ওপৰত ভৰসা কৰে, তেওঁৰ বাবে আল্লাহেই যথেষ্ট। তাক্বৱা (ধৰ্মভীৰুতা)ৰ অন্যতম বৰকত হৈছে যে আল্লাহে মুত্তাকী (ধৰ্মভীৰু) ব্যক্তিক এনে বিপদৰ পৰা ৰক্ষা কৰে যিয়ে ধৰ্মীয় কামত বাধাৰ সৃষ্টি কৰে। একেদৰে, আল্লাহে মুত্তাকী ব্যক্তিক বিশেষভাৱে ৰিজিক (জীৱিকা) প্ৰদান কৰে। উম্মী (নিৰক্ষৰ) হোৱা সত্বেও  নবী (ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে) সমগ্ৰ বিশ্বৰ সন্মুখীন হ'বলগীয়া হৈছিল, যাৰ ভিতৰত আহলে কিতাব, দাৰ্শনিক, উচ্চ স্তৰৰ বিদ্বান আৰু জ্ঞানী লোক আছিল, কিন্তু তেখেত ইমানেই আধ্যাত্মিক ৰিজিক (জ্ঞান) লাভ কৰিছিল যে তেখেত সকলোৰে ওপৰত জয়লাভ কৰিছিল আৰু তেওঁলোকৰ ভুলবোৰ আঙুলিয়াই দিছিল।

হজৰত ওমৰ বিন খাত্তাব (ৰাঃ)-এ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছিল: "যদি তোমালোকে আল্লাহৰ ওপৰত তেনেকৈয়ে ভৰসা কৰা যেনেকৈ তেওঁৰ ওপৰত ভৰসা কৰাৰ অধিকাৰ আছে, তেন্তে নিশ্চিতভাৱে তোমালোকক চৰাইৰ দৰে ৰিজিক প্ৰদান কৰা হ'ব। চৰাইবোৰে ৰাতিপুৱা খালী পেটে ওলাই যায় আৰু গধূলি পেট ভৰাই উভতি আহে।"

হজৰত আবু জৰ (ৰাঃ)-ৰ পৰা বৰ্ণিত যে নবী (ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে) কৈছে যে পৃথিৱীত অনাসক্তি (জুহদ) মানে হালালক হাৰাম কৰা নহয় আৰু ধন-সম্পত্তি নষ্ট কৰাও নহয়। পৃথিৱীত অনাসক্তিৰ প্ৰকৃত অৰ্থ হ'ল- তোমাৰ দুয়োখন হাতত যি আছে, তাতকৈ আল্লাহৰ হাতত যি আছে তাৰ ওপৰত অধিক নিৰ্ভৰযোগ্য হোৱা।

হুজুৰে কৈছে: নবী (ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে) দৈনন্দিন কাম-কাজতো আল্লাহৰ ওপৰত ভৰসাক সন্মুখত ৰাখি দোৱা কৰিছিল। হজৰত উম্মে ছালমাই বৰ্ণনা কৰিছে যে নবী (ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে) যেতিয়া নিজৰ ঘৰৰ পৰা ওলাই গৈছিল তেতিয়া কৈছিল: "আল্লাহৰ নাম লৈ মই আল্লাহৰ ওপৰত ভৰসা কৰিলোঁ। হে আল্লাহ! আমি পিছলি যোৱা বা পথভ্ৰষ্ট হোৱাৰ পৰা, অন্যায় কৰা বা আমাৰ ওপৰত অন্যায় হোৱাৰ পৰা, আৰু অজ্ঞতাপূৰ্ণ আচৰণ কৰা বা আমাৰ লগত অজ্ঞতাপূৰ্ণ আচৰণ হোৱাৰ পৰা তোমাৰ আশ্ৰয় বিচাৰো।"

হজৰত বুৰাইদাহ (ৰাঃ)-এ বৰ্ণনা কৰিছে যে নবী (ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে) যেতিয়া নিজৰ ঘৰৰ পৰা বাহিৰলৈ ওলাইছিল, তেতিয়া তেওঁ কৈছিল: "আল্লাহৰ নাম লৈ মই আল্লাহৰ ওপৰত ভৰসা কৰিলোঁ, আৰু আল্লাহৰ অনুগ্ৰহতেই সৎ কাম কৰাৰ

শক্তি আৰু বেয়া কামৰ পৰা বাচি থকাৰ সামৰ্থ্য পোৱা যায়। হে আল্লাহ! মই পথভ্ৰষ্ট হোৱা বা মোক পথভ্ৰষ্ট কৰাৰ পৰা, মই ভুল কৰা বা মোক ভুল কৰিবলৈ বাধ্য কৰাৰ পৰা, মই কাৰোবাৰ ওপৰত অন্যায় কৰা বা মোৰ ওপৰত অন্যায় হোৱাৰ পৰা, মই অজ্ঞতাপূৰ্ণ কাম কৰা বা মোৰ লগত অজ্ঞতাৰ আচৰণ কৰা হয় আৰু মই কাৰোবাৰ ওপৰত অত্যাচাৰ কৰোঁ বা মোৰ ওপৰত অত্যাচাৰ কৰা হয়।

হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ পৰা বৰ্ণিত হৈছে যে ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে হজৰত বিলালৰ ওচৰলৈ গৈছিল। তেওঁ তেওঁৰ ওচৰত খেজুৰৰ এটা ভঁৰাল দেখিলে আৰু ক'লে: হে বিলাল! এইবোৰ কি? হজৰত বিলালে (ৰাঃ) উত্তৰ দিলে যে এইবোৰ কিছুমান খেজুৰ যিবোৰ মই আপোনাৰ (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) বাবে সাঁচি ৰাখিছোঁ। তেখেত (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) এ ক'লে যে হে বিলাল! তুমি ভয় নকৰা নেকি যে কিয়ামতৰ দিনা ইয়াৰ ধোঁৱা জাহান্নামত উঠিব? হে বিলাল! খৰচ কৰা আৰু আৰশ্বৰ মালিকৰ তৰফৰ পৰা দৰিদ্ৰতাৰ ভয় নকৰিবা।

হজৰত মছীহ মাওউদ আলাইহিছ ছালাতু ৱাছ ছালামে কৈছে যে মানুহৰ ঈমানৰ উন্নতি তেতিয়াহে হ'ব পাৰে যেতিয়া তেওঁ আল্লাহ তা'লাৰ নিৰ্দেশ অনুসৰণ কৰে আৰু আল্লাহৰ ওপৰত নিজৰ তাৱাক্কুল (ভৰসা) কৰে। হজৰত ৰছুল কৰীম ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে হজৰত বিলালক কৈছিল যে তুমি কাইলৈৰ আল্লাহৰ ওপৰত ঈমান নাৰাখা নেকি? যি আল্লাহে তোমাক আজি দি আছে, তেওঁ কাইলৈ নিদিবনে? কিন্তু এই উপদেশৰ অৰ্থ এইটো নহয় যে অপব্যয় কৰিব লাগে বা নিজৰ প্ৰয়োজনীয় সা-সঁজুলিৰ ব্যৱস্থা কৰিব নালাগে। এইটো জৰুৰী যে উপায়সমূহো অৱলম্বন কৰা হওক আৰু আল্লাহ তা'লাৰ ওপৰত ভৰসাও ৰখা হওক। তাৱাক্কুলৰ অৰ্থ এইটো নহয় যে সাৱধানতা অৱলম্বন কৰা নহ'ব আৰু উপায়সমূহ ব্যৱহাৰ কৰা নহ'ব। হজৰত আনছ বিন মালিক (ৰাঃ)এ বৰ্ণনা কৰিছে যে এজন ব্যক্তিয়ে সুধিলে যে য়া ৰছুলুল্লাহ! মই উটৰ আঁঠু বান্ধি তাৱাক্কুল (ভৰসা) কৰিম নে ইয়াক মুকলিকৈ এৰি দি তাৱাক্কুল কৰিম? তেখেত (ছাঃ) এ ক'লে: তাৰ আঁঠু বান্ধা আৰু তাৱাক্কুল কৰা। হজৰত মছীহ মাওউদ আলাইহিছ ছালাতু ৱাছ ছালামে কৈছে যে আল্লাহৰ ওপৰত ভৰসা কৰাৰ অৰ্থ এইটো নহয় যে মানুহে চেষ্টা বা পৰিকল্পনা এৰি দিব, বৰং ইয়াৰ অৰ্থ হ'ল সম্পূৰ্ণ চেষ্টা কৰি তাৰ পিছত পৰিণাম আল্লাহৰ ওপৰত এৰি দিয়া, আৰু ইয়াৰ নামেই হৈছে তাৱাক্কুল। যদি মানুহে চেষ্টা নকৰে আৰু কেৱল তাৱাক্কুল কৰে, তেন্তে তেওঁৰ তাৱাক্কুল অসাৰ, আৰু যদি কেৱল চেষ্টা কৰি তাৰ ওপৰতেই ভৰসা কৰে আৰু আল্লাহৰ ওপৰত তাৱাক্কুল নকৰে, তেন্তে সেই চেষ্টাও অসাৰ।

হজৰত আয়েশা (ৰাঃ)এ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ ওচৰলৈ কিছু দীনাৰ আহিছিল। তেখেত (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) তাৰে আটাইবোৰ বিতৰণ কৰি দিলে আৰু কেৱল ছটা দীনাৰ বাকী থাকিল যিবোৰ আপুনি নিজৰ পৱিত্ৰ পত্নীসকলৰ মাজৰ এগৰাকীৰ ওচৰত ৰাখি থৈছিল। নিজৰ অন্তিম বেমাৰৰ সময়ত তেখেত (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) সেই দীনাৰকেইটাৰ বিষয়ে সুধিলে। যেতিয়া জানিব পাৰিলে যে এতিয়াও খৰচ হোৱা নাই, তেতিয়া সেই দীনাৰকেইটা অনা হ'ল। তেখেত (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) এ সেইবোৰ নিজৰ হাতৰ তলুৱাত ৰাখিলে, গণি চালে আৰু দেখিলে যে সেইবোৰ ছটা দীনাৰ আছিল আৰু ক'লে যে নিজৰ প্ৰতিপালকৰ ওপৰত মহম্মদ (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম)ৰ কি তাৱাক্কুল হ'ল যদিহে আল্লাহৰ সৈতে সাক্ষাত কৰা আৰু পৃথিৱীৰ পৰা বিদায় লোৱাৰ সময়ত এই দীনাৰকেইটা তেওঁৰ ওচৰত থাকে। তাৰ পিছত তেখেত (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) এ সেই আটাইকেইটা দীনাৰ আল্লাহৰ পথত ছাদকা কৰি দিলে আৰু সেইদিনাই তেখেত (ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম) ৰ ইন্তেকাল (মৃত্যু) হ'ল। আল্লাহ তা'লাই কৈছে যে আমালৈ সেয়াই আহে যি আল্লাহে আমাৰ বাবে নিৰ্ধাৰণ কৰি ৰাখিছে। তেৱেঁই আমাৰ তত্বাৱধায়ক আৰু মুমিনসকলে কেৱল আল্লাহৰ ওপৰতেই তাৱাক্কুল কৰিব লাগে। আঁহজৰত ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ আদৰ্শত তাৱাক্কুলৰ উচ্চতম নিদৰ্শন মুছাইলিমা কাজ্জাবৰ (ভণ্ড মুছাইলমা) ঘটনাতো পোৱা যায়। মুছাইলিমা কাজ্জাব ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ সময়ত আহিছিল আৰু ক'বলৈ ধৰিলে যে যদি মহম্মদ ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে নিজৰ পিছত মোক উত্তৰাধিকাৰী পাতে, তেন্তে মই তেওঁৰ অনুগামী হ'ম। সি মদীনাত তেওঁৰ নিজৰ সম্প্ৰদায়ৰ এটা ডাঙৰ দলৰ সৈতে আহিল। ৰছুলুল্লাহ (ছাঃ) তেওঁৰ ওচৰলৈ গ'ল

আৰু হজৰত ছাবিত বিন কাইছ বিন শ্বাম্মছ (ৰাঃ) তেওঁৰ সৈতে আছিল। ৰছুলুল্লাহ (ছাঃ)-ৰ হাতত খেজুৰ গছৰ ডালৰ এটা টুকুৰা আছিল। তেখেত (ছাঃ) মুছাইলামাৰ সন্মুখত থিয় হৈ ক'লে যে যদি তুমি মোৰ পৰা এই ডালটোও বিচৰা, তথাপিও মই তোমাক নিদিওঁ আৰু আল্লাহে তোমাৰ বাবে যি নিৰ্ধাৰণ কৰিছে, তুমি তাৰ পৰা আগবাঢ়িব নোৱাৰা। যদি তুমি পিঠি দি আঁতৰি যোৱা, তেন্তে আল্লাহ তা'লাই তোমাক ধ্বংস কৰিব।

হজৰত মুছলেহ মাওউদ (ৰাঃ)-এ এই সন্দৰ্ভত কয় যে ৰছুল কৰীম (ছাঃ)-ৰ কোনো কামতেই পৃথিৱী বা পাৰ্থিৱ লোকসকলৰ প্ৰতি মনোযোগ নাছিল আৰু জাগতিক উপায়-উপাদানৰ পিনে তেখেতে চকু তুলিও চোৱা নাছিল, বৰঞ্চ প্ৰত্যেকটো কামতেই তেখেতৰ দৃষ্টি কেৱল আল্লাহ তা'লাৰ ওপৰতেই আছিল যে তেওঁৱেঁই সকলো কৰিব। তেখেত তাৱাক্কুলৰ (আল্লাহৰ ওপৰত নিৰ্ভৰতাৰ) এক নিখুঁত আদৰ্শ আছিল। মুছাইলিমাই ৰছুল কৰীম (ছাঃ)-ৰ জীৱনকালত এটা বিশাল সৈন্যদল লৈ মদীনালৈ আহিছিল আৰু অনুৰোধ কৰিছিল যে যদি তেওঁক নিজৰ পিছত খলীফা কৰি লোৱা হয়, তেন্তে তেওঁ নিজৰ দলসহ তেওঁৰ আনুগত্য স্বীকাৰ কৰিব। কিন্তু ৰছুল কৰীম (ছাঃ)-এ এই অনুৰোধ লগে লগে প্ৰত্যাখ্যান কৰিলে। সেই সময়ত কাফিৰসকলৰ প্ৰভাৱ বেছি আছিল, তেখেতক যাতনা দিয়া হৈছিল, কেয়ছৰ আৰু কিছৰাৰ শাসকে আদেশ প্ৰেৰণ কৰি আছিল, বনী গছানে যুদ্ধৰ প্ৰস্তুতি চলাই আছিল আৰু বিভিন্ন চৰকাৰে এই নতুন আন্দোলনক সন্দেহৰ দৃষ্টিৰে চাই আছিল। এনে সময়ত মানৱীয় বুদ্ধিয়ে বিচাৰিছিল যে বন্ধু আৰু শত্ৰু উভয়কে নিজৰ সৈতে সামৰি লোৱা হওক, কিন্তু ৰছুল কৰীম (ছাঃ)-ৰ তাৱাক্কুল (ভৰসা) আল্লাহ তা'লাৰ ওপৰত আছিল। তেখেতৰ হৃদয় দৃঢ় বিশ্বাসেৰে আৰু বুকু ঈমানেৰে পৰিপূৰ্ণ আছিল। তেখেত মুছাইলিমা আৰু তেওঁৰ সৈন্যদলৰ ওপৰত নিৰ্ভৰ কৰাটো এক মুহূৰ্তৰ বাবেও উচিত বুলি ভবা নাছিল আৰু স্পষ্টকৈ কৈ দিছিল যে যদি এটা খেজুৰৰ ডালৰ সলনিও তেওঁৰ সমৰ্থন পাবলগীয়া হয়, তথাপিও তেওঁ তালৈ চকু তুলি নাচাব। এই ঘটনাৰ পৰা স্পষ্ট হয় যে আঁহজৰত (ছাঃ)-ৰ এই প্ৰত্যাখ্যান কোনো পাৰ্থিৱ স্বাৰ্থৰ বাবে নাছিল, বৰঞ্চ আল্লাহ তা'লাৰ ওপৰত অসীম বিশ্বাস আৰু নিখুঁত তাৱাক্কুলৰ পৰিণাম আছিল। তেখেত নিজৰ পিছত নিজৰ সন্তানক উত্তৰাধিকাৰী কৰা নাছিল, বৰঞ্চ হজৰত আবু বকৰ (ৰাঃ)-ৰ খিলাফতৰ দিশে ইংগিত দিছিল। তেখেত ইচ্ছা কৰিলে মুছাইলিমাক বন্দী কৰি হত্যা কৰাব পাৰিলেহেঁতেন, কাৰণ সি মদীনাত তেওঁৰ নিয়ন্ত্ৰণৰ অধীনত আছিল, কিন্তু এই বিষয়তো তেখেত আল্লাহ তা'লাৰ ওপৰত ভৰসা কৰিলে যে তেওঁ নিজেই এই অনিষ্টকাৰীক ধ্বংস কৰিব। সেয়েহে আঁহজৰত (ছাঃ)-ৰ জীৱনে আমাক তাৱাক্কুলৰ এই মহান আদৰ্শ দেখুৱায় যে আল্লাহ তা'লাৰ প্ৰতি সম্পূৰ্ণভাৱে অৱনত হোৱা, তেওঁৰ সন্তুষ্টিক প্ৰাধান্য দিয়া, পাৰ্থিৱ বিৰোধিতাত প্ৰভাৱিত নোহোৱা, উপায়সমূহ অৱলম্বন কৰি ফলাফল আল্লাহ তা'লাৰ ওপৰত এৰি দিয়া আৰু প্ৰত্যেক পৰিস্থিতিত তেওঁৰ সহায়ৰ ওপৰত বিশ্বাস ৰখাই হৈছে প্ৰকৃত তাৱাক্কুল। আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিন ৱা বাৰিক ৱা ছাল্লিম।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰে শ্বহীদ মিৰ্জা ছফদৰ মেহমুদ চাহাব (মণ্ডী বাহাউদ্দীন), আজিজা অমাতুল আজিজা চাহেবা (হজৰত মুছলেহ মাওউদ ৰাঃ ৰ নাতি) আৰু মাননীয় ৰছিদ আহমদ আয়াজ চাহেব (পেনশ্বনাৰ, ছদৰ আঞ্জুমান আহমাদীয়া)—এই তিনিগৰাকী প্ৰয়াত ব্যক্তিৰ সদগতি উল্লেখ কৰি জানাজা নামাজ গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 04 sep 2026

Nazarat Nashr-O-Ishaat Qadian